বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## আঁহজৰত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)ৰ দৃষ্টান্তহীন কৃতজ্ঞতা

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ৭ আগষ্ট ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,
জলছাৰ পূৰ্বে মই মহানবী (ছাঃ) ৰ কৃতজ্ঞতাৰ মাপকাঠি, তেখেতৰ কৰ্ম আৰু বাণীসমূহৰ বিষয়ে উল্লেখ কৰিছিলোঁ। সেই অনুক্ৰমেই আজিও মই এই বিষয়ে আলোচনা কৰিম।
আল্লাহ তা'লাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ দিশত মনোযোগ আকৰ্ষণ কৰি, তেখেতে অতি সৰু সৰু বিষয়তো কৃতজ্ঞতা আদায় কৰিবলৈ নিৰ্দেশ দিছিল।
হজৰত আনাছ বিন মালিক (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ) য়ে কৈছে— আল্লাহে তেওঁৰ বান্দাৰ এই কামত সন্তুষ্ট হয় যেতিয়া তেওঁ কোনো এসাঁজ আহাৰ গ্ৰহণ কৰে বা এঢোক পানী পান কৰে, আৰু তাৰ বাবে আল্লাহৰ প্ৰশংসা কৰে।
হজৰত আয়েশা (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে এদিন নবী (ছাঃ) য়ে ঘৰত প্ৰৱেশ কৰিলে আৰু এটা ৰুটীৰ টুকুৰা পৰি থকা দেখিলে। তেখেতে ৰুটীৰ টুকুৰাটো তুলি ল'লে, পৰিষ্কাৰ কৰিলে আৰু তাক খালে। তাৰ পিছত তেখেতে ক'লে, "হে আয়েশা! শ্ৰদ্ধেয় বস্তুৰ সন্মান কৰিবা। যেতিয়া এই ৰিজিকৰ (খাদ্যৰ) নিয়ামত (অনুগ্ৰহ) কোনো জাতিৰ পৰা আঁতৰি যায়, তেতিয়া সেয়া তেওঁলোকৰ ওচৰলৈ পুনৰ ঘূৰি নাহে।"
গতিকে! এইয়া আছিল তেখেত (ছাঃ)ৰ আচৰণ।
হুজুৰে কৈছে, যদি আমাৰো ৰিজিকত বৰকত লাভৰ ইচ্ছা থাকে, তেন্তে আমি প্ৰতিটো সৰু সৰু বিষয়তো আল্লাহ তা'লাৰ কৃতজ্ঞতা জ্ঞাপন কৰা উচিত।
হজৰত ইবনে আব্বাছে বৰ্ণনা কৰিছে যে মক্কা বিজয়ৰ দিনা হুজুৰ (ছাঃ) য়ে হজৰত উম্মে হানী (ৰাঃ)ৰ ঘৰলৈ গৈছিল, তেতিয়া তেখেতৰ ভোক লাগিছিল। তেখেতে সুধিলে যে তোমালোকৰ ঘৰত আমাৰ খোৱাৰ বাবে কিবা আছেনে? তেওঁ জনালে যে শুকান ৰুটীৰ টুকুৰাৰ বাহিৰে মোৰ ওচৰত আন একো নাই। মোৰ লাজ লাগিছে যে মই এইসমূহ তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) সেৱাত পেশ কৰিব লগা হৈছে। তেখেতে (ছাল্লাল্লাহু আলাইহি ৱা

ছাল্লাম) ক'লে, "সেইসমূহকে লৈ আহা।" তাৰ পিছত তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে ৰুটীৰ শুকান টুকুৰাবোৰ পানীত দি কোমল কৰিলে। তেওঁ নিমখ লৈ আহিল। তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে সুধিলে "কিবা ছালন (তৰকাৰী/আঞ্জা) আছেনে?" তেওঁ ক'লে যে অলপমান ছিৰকাৰ (ভিনাগাৰ) বাহিৰে আন একো নাই। তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে ক'লে, "সেইটোকে লৈ আহা।" তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে তাক নিজৰ আহাৰৰ ওপৰত ঢালি দিলে আৰু আল্লাহ আজ্জা ৱা জাল্লাৰ প্ৰশংসা কৰি ক'লে, "ছিৰকা কিমান যে উত্তম ছালন! সেই ঘৰ দৰিদ্ৰ হ'ব নোৱাৰে য'ত ছিৰকা থাকে।"

হুজুৰে আনোৱাৰে ক'লে যে এইয়া আছিল তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) ৰ কৃতজ্ঞতাৰ মাপকাঠী। আমি এই উন্নত দেশবোৰত বাস কৰোঁ আৰু আল্লাহ তা'লাৰ অসংখ্য নিয়ামতৰ সুবিধা লওঁ, তথাপিও তেওঁৰ কৃতজ্ঞতাৰ অধিকাৰ আদায় নকৰোঁ।

হজৰত মুছলেহ মাউদ (ৰাঃ) য়ে কৈছে যে তোমালোকৰ শৰীৰত কেতিয়াবা ফটা কাপোৰ থাকিলে তোমালোকে কান্দিবলৈ ধৰা আৰু কোৱা যে আমাৰ ভাগ্য কেনেকুৱা যে আমি পিন্ধিবলৈ ফটা কাপোৰ পালোঁ। কিন্তু ছাহাবাসকলে (ৰাঃ) য়ে ফটা কাপোৰ পালে তেওঁলোকৰ মূৰ আল্লাহ তা'লাৰ দৰবাৰত নত হৈ পৰিছিল, তেওঁলোকে কৈছিল যে আমাৰ প্ৰভুৱে আমাক প্ৰদান কৰা কাপোৰটো কিমান ভাল কাপোৰ! তেওঁলোকে যদি শুকান ৰুটীৰ এটা টুকুৰাও চাৰি দিনৰ পিছত পালেহেঁতেন, তেন্তে আনন্দত তেওঁলোকৰ চকুত উজ্জ্বলতা ফুটি উঠিছিল আৰু তেওঁলোকে কৈছিল 'আলহামদুলিল্লাহ' (আল্লাহৰ অশেষ প্ৰশংসা)।

হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে জামাতৰ সদস্যসকলক উদ্দেশ্য কৰি কৈছে যে যেতিয়ালৈকে তোমালোকৰ মাজত এই অনুভূতি সৃষ্টি নহয় যে আল্লাহে তোমালোকক কি উদ্দেশ্যৰে সৃষ্টি কৰিছে... তেতিয়ালৈকে তোমালোকে কি কাম কৰিবা? আল্লাহে তোমালোকক এনে এক স্থানত থিয় কৰোৱাইছে যে তোমালোকৰ হৃদয় সকলো সময়তে আনন্দৰ ঢৌৰে পৰিপূৰ্ণ হৈ থাকিব লাগে আৰু তোমালোকৰ মাজত সকলো সময়তে সজাগতা আৰু সচেতনতা দৃশ্যমান হ'ব লাগে। যদি এই বস্তু তোমালোকৰ ভিতৰত সৃষ্টি হয়, তেন্তে লগে লগে তোমালোকৰ মাজত এনে এক শক্তিৰ সঞ্চাৰ হ'ব যিয়ে সামান্যতম আহাৰেৰেও তোমালোকক কাম কৰাৰ যোগ্য কৰি তুলিব।

হুজুৰ আনোৱাৰে কৈছে যে এইটোৱেই হৈছে সেই পদ্ধতি যিটো সাধাৰণভাৱে প্ৰতিজন আহমদীয়ে আৰু বিশেষকৈ ৱাকফীনে জিন্দেগীয়ে (জীৱন উৎসৰ্গাকাৰীসকলে) নিজৰ কৃতজ্ঞতাৰ স্তৰ বৃদ্ধি কৰিবলৈ ব্যৱহাৰ কৰা উচিত। ইয়াৰ অতি প্ৰয়োজন। ঠিক তেনেকৈ নিজৰ পত্নী আৰু সন্তানৰ মাজতো এই অনুভৱ গঢ়ি তোলাৰ প্ৰয়োজন আছে। কাৰণ যি উদ্দেশ্যৰ বাবে ৱাকফীনসকলে নিজকে উৎসৰ্গা কৰিছে সেয়া অতি মহান উদ্দেশ্য আৰু মহান উদ্দেশ্য প্ৰাপ্তিৰ বাবে, মহান উদ্দেশ্য অৰ্জনকাৰীসকলৰ আদৰ্শ সমুখত থাকিব লাগে।

যেতিয়া মহানবী (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)-য়ে পানী পান কৰিছিল, তেতিয়া পাত্ৰটো আঁতৰাই তিনিটা উশাহত পানী পান কৰিছিল, প্ৰতিটো উশাহত আল্লাহৰ প্ৰশংসা কৰিছিল আৰু অন্তিম উশাহত আল্লাহৰ কৃতজ্ঞতা জ্ঞাপন কৰিছিল।

হুজুৰ আনৱাৰে ছহীহ বুখাৰীৰ পৰা হজৰত আবু হুৰাইৰা (ৰাঃ) ৰ এটা বিশদ ৰিৱায়ত (বৰ্ণনা) উপস্থাপন কৰিছে য'ত তেওঁ তীব্ৰ ক্ষুধাৰ অৱস্থাত ৰাস্তাত বহি পাৰ হৈ যোৱা লোকসকলৰ পৰা কোৰআন কৰীমৰ সেই আয়াতটোৰ অৰ্থ সুধিছিল, যিটোত হাত নপতা (কাৰোবাৰ ওচৰত নিবিচৰা) লোকসকলৰ যত্ন ল'বলৈ নিৰ্দেশ দিয়া হৈছে। হজৰত আবু হুৰাইৰা (ৰাঃ) য়ে হজৰত আবু বকৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ) ৰ পৰা অৰ্থ সুধিছিল, কিন্তু তেওঁলোকে হজৰত আবু হুৰাইৰা (ৰাঃ) ৰ অৱস্থা (ক্ষুধা) বুজি নাপালে। কিন্তু যেতিয়া তেওঁ মহানবী (ছাল্লাল্লাহু

আলাইহি আৰু ছাল্লাম)-ৰ পৰা সেই আয়াত শৰীফৰ অৰ্থ সুধিলে, তেতিয়া তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে হাঁহি ক'লে— "মোৰ পিছফালে আহা।" তাৰ পিছত মহানবী (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)-য়ে তেওঁক গাখীৰৰ বাটি এটা দিলে আৰু সেই গাখীৰৰ বাটিটোৰ পৰা আহলে ছুফ্ফাই গাখীৰ পান কৰিলে। সেই সৰু গাখীৰৰ বাটিটোত এনেকুৱা বৰকত হ'ল যে সকলোৱে পেট ভৰাই গাখীৰ পান কৰিলে, তথাপিও বাটিটোত গাখীৰ বাকী ৰৈ গ'ল। ইয়াৰ পিছত মহানবী (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)-য়ে সেই গাখীৰৰ বাটিটো ল'লে, প্ৰথমে আল্লাহৰ কৃতজ্ঞতা জ্ঞাপন কৰিলে আৰু তাৰ পিছত বাকী থকা গাখীৰখিনি নিজে পান কৰিলে।

মহানবী (ছাল্লাল্লাহু আলাইহি আৰু ছাল্লাম)-য়ে সদায় তেওঁৰ উপকাৰীসকলক মনত ৰাখিছিল আৰু সেয়া সুন্দৰভাৱে উল্লেখ কৰিছিল। যেনে— হজৰত খাদীজা (ৰাঃ) ৰ কথা সদায় স্মৰণ কৰিছিল। একেদৰে হজৰত আবু বকৰ (ৰাঃ)ৰ কথাও সদায় এনেধৰণৰ প্ৰশংসনীয় ৰূপত উল্লেখ কৰিছিল।

যেতিয়া মুছলমানসকলৰ ওপৰত অত্যাচাৰ চলোৱা হৈছিল, তেতিয়া তেওঁলোকে হাবশ্বালৈ (ইথিওপিয়া) হিজৰত কৰিছিল আৰু হাবশ্বাৰ ৰজা নাজাশ্বীয়ে তেওঁলোকক আশ্ৰয় দিছিল। ৰছুলুল্লাহ (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে সেই ৰজা গৰাকীৰ এই উপকাৰ সদায় মনত ৰাখিছিল আৰু প্ৰতিটো সুযোগতে এই উপকাৰৰ কথা উল্লেখ কৰিছিল।

খাইবৰ যুদ্ধৰ পিছত পথত মহানবী (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)-ৰ বিবাহ হজৰত ছাফিয়্যা (ৰাঃ) ৰ সৈতে হৈছিল। বিবাহৰ নিশা হজৰত আবু আইয়ুব খালিদ বিন জায়েদ (ৰাঃ) য়ে গোটেই নিশা তেখেতৰ তম্বুৰ বাহিৰত পহৰা দিছিল। যেতিয়া তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে ৰাতিপুৱা সাৰ পালে আৰু তেওঁক পহৰা দি থকা দেখিলে, তেতিয়া তেওঁৰ নিষ্ঠা দেখি তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)-য়ে তেওঁৰ বাবে দোৱা কৰিলে— "হে আল্লাহ! তুমি আবু আইয়ুবক ঠিক তেনেকৈয়ে সুৰক্ষিত ৰাখা, যেনেকৈ তেওঁ গোটেই নিশা মোক সুৰক্ষিত ৰাখিলে।"

হজৰত আমৰ বিন আখতাব (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে এবাৰ মহানবী (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)-য়ে পানী বিচাৰিলে। মই তেখেতৰ বাবে পানী লৈ আনিলোঁ, তাত এডাল চুলি আছিল, মই সেই চুলিডাল উলিয়াই দিলো। তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)-য়ে মোৰ বাবে দোৱা কৰিলে— "হে আল্লাহ! ইয়াকে সুন্দৰ কৰি তোলা।"

হজৰত আনাছ (ৰাঃ) ৰ ধন-সম্পত্তি আৰু সন্তান-সন্ততিৰ বৰকতৰ বাবে তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে দোৱা কৰিছিল। গতিকে হজৰত আনাছ (ৰাঃ) য়ে কয় যে— মোৰ সম্পত্তি বহুত বেছি আৰু মোৰ সন্তান তথা নাতি-নাতিনীৰ সংখ্যা আজি এশ পৰ্যন্ত পাইছেগৈ।

তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে উপদেশ দি কয় যে— যিজন ব্যক্তিৰ ওপৰত উপকাৰ কৰা হ'ল আৰু তেওঁ সেয়া প্ৰকাশ কৰিলে (বা উল্লেখ কৰিলে), তেন্তে তেওঁ তাৰ হক আদায় কৰিলে; আৰু যিজনে ইয়াক লুকুৱাই ৰাখিলে, তেওঁ অকৃতজ্ঞতা প্ৰকাশ কৰিলে।

মহানবী (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)-য়ে উপহাৰ গ্ৰহণ কৰিছিল আৰু তাৰ বিনিময়ো দিছিল। তেওঁ ক'লে— যিজন ব্যক্তিক উপহাৰ দিয়া হয়, যদি তেওঁৰ সামৰ্থ্য থাকে, তেন্তে তেওঁ উপহাৰৰ প্ৰতিদান দিয়া উচিত।

আৰু যদি দিয়াৰ সামৰ্থ্য নাথাকে, তেন্তে উপহাৰ দাতাৰ প্ৰশংসা কৰা উচিত।

হজৰত মহম্মদ (ছল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে ৰাতি নামাজত ইমান সময় থিয় হৈ থাকিছিল যে তেখেতৰ ভৰি ফাটি গৈছিল। এই দৃশ্য দেখি হজৰত আয়েশা (ৰাজীআল্লাহু আনহা) য়ে ক'লে, "হে আল্লাহৰ ৰছুল! আপুনি কিয় এনে কৰে, যেতিয়া আল্লাহ তা'লাই আপোনাক পূৰ্বৰ আৰু পিছৰ সকলো গুনাহৰ পৰা সুৰক্ষিত কৰি ৰাখিছে?" তেতিয়া তেখেতে ক'লে, "মই এজন কৃতজ্ঞ বান্দা হোৱাটো পছন্দ নকৰিমনে?"

হজৰত মহম্মদ (ছল্লাল্লাহু আলাইহি ৱা ছাল্লাম) য়ে নামাজত ইমান কান্দিছিল আৰু ইমান দীঘলীয়া সময় থিয় হৈ আছিল যে তেখেতৰ ভৰি ফুলি উঠিছিল। চাহাবীসকলে যেতিয়া সুধিছিল যে আপুনি কিয় ইমান আৰ্তনাদ আৰু ক্ৰন্দন কৰে, তেতিয়া তেখেতে কৈছিল, “মই মোৰ প্ৰভুৰ কৃতজ্ঞ বান্দা নহ’মনে?”

হুজুৰন আনৱাৰে (আইয়্যাদাহু আল্লাহু তা’আলা বিনাচৰিহিল আজিজ) য়ে কৈছে যে মহানবী (ছল্লাল্লাহু আলাইহি ৱা ছাল্লাম) ৰ এই অৱস্থাই আমাৰ পৰা দাবী কৰে যে আমি আল্লাহ তা’লাৰ নিয়ামতৰ প্ৰতি কৃতজ্ঞ হৈ আমাৰ কৃতজ্ঞতাক চৰম পৰ্যায়লৈ লৈ যাওঁ। কৃতজ্ঞতা প্ৰকাশ কৰাটো কেৱল বহি থকাৰ নাম নহয়; কৃতজ্ঞতাই কৰ্মত আৰু অধিক অগ্ৰগতি বিচাৰে। মহানবী (ছল্লাল্লাহু আলাইহি ৱা ছাল্লাম) ৰ তাকওৱা (ধৰ্মপৰায়ণতা) সৰ্বোচ্চ পৰ্যায়ত আছিল। সেয়েহে তেওঁ ‘আব্দ-এ-শ্বুকুৰ’ (কৃতজ্ঞ বান্দা) হোৱাৰো সৰ্বোচ্চ পৰ্যায় লাভ কৰিছিল আৰু আমাক শিক্ষা দিছিল যে যদি আল্লাহ তা’লাৰ প্ৰকৃত বান্দা হোৱাৰ হক আদায় কৰিব বিচৰা, তেন্তে তোমালোকেও কৃতজ্ঞ বান্দা হোৱা। যেনেকৈ আল্লাহে তোমালোকৰ ওপৰত তেওঁৰ অনুগ্ৰহ কৰে, তেনেকৈয়ে তোমালোকেও নিজৰ ইবাদতৰ স্তৰ উন্নত কৰা আৰু কৃতজ্ঞতা জ্ঞাপন কৰা।

আল্লাহ তা’লাৰ অনুগ্ৰহৰ ফলত এলেহুৱা বা অলস হ’ব নালাগে, বৰঞ্চ ইবাদতৰ জৰিয়তে সদায় আগুৱাই যাব লাগে।

হজৰত মুছলেহ মাউদ (ৰাজীআল্লাহু আনহু) য়ে এঠাইত কৈছে— মূৰ্খ সেইজন ব্যক্তি যিয়ে কয়, “তোমাৰ কৰুণাই মোক উদ্ধত কৰি তুলিলে।” অৰ্থাৎ আল্লাহ তা’লাৰ কৰুণাই মোক কৃতজ্ঞ কৰাৰ পৰিৱৰ্তে উদ্ধত বনাই তুলিলে। তেওঁ কৈছে যে আল্লাহ তা’লাৰ অনুগ্ৰহে মানুহক উদ্ধত নবনায়, সেই ব্যক্তিজনে ভুল কথা কয়; অনুগ্ৰহে মানুহক বিদ্ৰোহী নবনায়, বৰঞ্চ আৰু অধিক কৃতজ্ঞ আৰু আজ্ঞাবহ কৰি তোলে। সেয়েহে, তোমালোকে আগতকৈও অধিক আজ্ঞাবহ হৈ পৰা, কাৰণ আল্লাহ তা’লাই কৈছে, তোমালোকক যি দিয়া হৈছে, তাত যদি তোমালোকে কৃতজ্ঞতা জ্ঞাপন কৰা, তেন্তে মই তোমালোকক আৰু অধিক দান কৰিম।

আল্লাহ তা’লাই আমাক প্ৰকৃত কৃতজ্ঞ আৰু প্ৰকৃত ইবাদতকাৰী হোৱাৰ তৌফিক দিয়ক, যাতে আমি সদায় তেওঁৰ অনুগ্ৰহভাজন হৈ থাকিব পাৰোঁ।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ -

Assamese Khulasa Khutba Hazur Anowar 7 Aug 2026

Nazarat Nashor-O-Ishaat Qadian